সপ্তম খণ্ড

প্ৰথম অধ্যায়

# জ্ঞানৰ উৎপত্তি সম্পৰ্কীয় তত্ত্ব

# (Theories of the Origin of Knowledge)

## 7.1.1. জ্ঞানবিদ্যা (Epistemology) ঃ

দৰ্শনৰ যিটো শাখাই জ্ঞানৰ উৎপত্তি, স্বৰূপ, চৰ্ত, সীমা প্ৰভৃতি আলোচনা কৰে তাকেই জ্ঞানবিদ্যা বোলে। আমি আগতেই আলোচনা কৰিছো যে, তত্বালোচনা কৰাৰ পূৰ্বেই জ্ঞানবিদ্যাৰ আলোচনা কৰাটো অপৰিহাৰ্য। কাৰণ জ্ঞানৰ উৎপত্তিকি ভাৱে হয় আৰু যথাৰ্থ জ্ঞানৰ চৰ্ত কি?— এইবোৰ যদি আগতে জনা নাযায় তেতিয়াহ'লে তত্বালোচনা কৰাৰ কোনো সাৰ্থকতা নাথাকে। সত্যক জনাই হৈছে দৰ্শনৰ উদ্দেশ্য।

**জ্ঞানৰ উৎপত্তি সম্পৰ্কীয় মতবাদ ঃ (Theories of the origin of knowledge)**

জ্ঞানৰ উৎপত্তি কি ভাৱে হয়? বা জ্ঞানৰ উৎস কি? এইটো জ্ঞানবিদ্যাৰ এটা জটিল প্ৰশ্ন। এই প্ৰশ্নৰ উত্তৰত দাৰ্শনিক সকল একমত নহয়। সেয়ে জ্ঞানৰ উৎসক কেন্দ্ৰ কৰি জ্ঞানবিদ্যাত বিভিন্ন মতবাদৰ উদ্ভৱ হোৱা দেখা যায়। তাৰ ভিতৰত চাৰিটা উল্লেখযোগ্য মতবাদ হৈছে— বুদ্ধিবাদ (Rationalism), অভিজ্ঞতাবাদ (Empiricism), বিচাৰবাদ (Criticism) আৰু স্বজ্ঞাবাদ (Intuitionism)। এই অধ্যয়ত আমি আলোচনা কৰিবলৈ লোৱা জ্ঞানৰ উৎপত্তি সম্পৰ্কীয় মতবাদ কেইটা হ'ল— বুদ্ধিবাদ আৰু অভিজ্ঞতাবাদ।

**বুদ্ধিবাদ (Rationalism) ঃ**

বুদ্ধিবাদ অনুসৰি যথাৰ্থ জ্ঞানৰ উৎস হৈছে বুদ্ধি। বুদ্ধিয়েই হৈছে যথাৰ্থ জ্ঞান লাভৰ প্ৰধান উপায়। বুদ্ধিবাদী দাৰ্শনিক সকলৰ মতে ইন্দ্ৰিয়ৰ সহায়ত যি জ্ঞান লাভ কৰা যায় সেই জ্ঞান অসম্পূৰ্ণ আৰু অনিশ্চিত। ইন্দ্ৰিয়-প্ৰত্যক্ষৰ সহায়ত যি জ্ঞান লাভ কৰা যায় সেই জ্ঞান হৈছে বস্তুৰ বাহ্যৰূপৰ জ্ঞান, বস্তুৰ অৰ্ন্তনিহিত স্বৰূপ সম্বন্ধে জ্ঞান নহয়। ইন্দ্ৰিয়-প্ৰত্যক্ষই সৰ্বজনস্বীকাৰ্য আৰু অৱশ্যস্বীকাৰ্য জ্ঞান দিব নোৱাৰে। যথাৰ্থ জ্ঞান শাশ্বত, সাৰ্বিক, সনাতন আৰু নিশ্চিত। ইন্দ্ৰিয়-প্ৰত্যক্ষই তত্বজ্ঞান অৰ্থাৎ শাশ্বত, সাৰ্বিক, সনাতন আৰু নিশ্চিত জ্ঞান দিব নোৱাৰে। সেইকাৰণেই বুদ্ধিবাদী দাৰ্শনিক সকলে বাহ্য অভিজ্ঞতাক বৰ্জন কৰি বুদ্ধিকেই যথাৰ্থ জ্ঞান লাভৰ উৎস বুলি কৈছে।

বুদ্ধিবাদী দাৰ্শনিক সকলৰ মতে, বুদ্ধিয়ে আমাক কিছুমান অভিজ্ঞতাপূৰ্ব বা অন্তৰ্জাত

ধাৰণা দিয়ে। এই ধাৰণাবোৰ স্বত:সিদ্ধ আৰু সেইকাৰণেই নি:সন্দিগ্ধ ভাৱে সত্য। এই অন্তৰ্জাত ধাৰণাসমূহৰ পৰাই জ্ঞানৰ সৌধ গঠিত হয়।

প্ৰাচীন বুদ্ধিবাদী দাৰ্শনিক হিচাপে গ্ৰীক দাৰ্শনিক ছক্ৰেটিছ আৰু প্লেটোৰ নাম বিশেষভাৱে উল্লেখযোগ্য। ছক্ৰেটিছৰ মতে বুদ্ধিয়েই হৈছে জ্ঞান লাভৰ একমাত্ৰ উপায়। কাৰণ প্ৰত্যয় বা সামান্য ধাৰণাৰ জৰিয়তেই আমি জ্ঞান আহৰণ কৰো আৰু বুদ্ধিৰ দ্বাৰাই এই সামান্য ধাৰণাবোৰ গঠিত হয়। প্লেটোৰ মতেও প্ৰকৃত জ্ঞান অভিজ্ঞতা নহয়, বুদ্ধিৰ সহজাত ক্ষমতাৰ ওপৰতহে প্ৰতিষ্ঠিত। প্ৰকৃত জ্ঞান অনিবাৰ্য, সাৰ্বজনীন আৰু নিশ্চিত আৰু তেনে জ্ঞান বুদ্ধিয়েই দিব পাৰে।

আধুনিক পাশ্চাত্য দৰ্শনৰ ইতিহাসত বুদ্ধিবাদী দাৰ্শনিক হিচাপে ডেকাৰ্ট (Descartes), স্পিনোজা (Spinoza), লাইব্‌নিজ (Leibnitz) আৰু উল্‌ফৰ (Wolff)ৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এওঁলোক সকলোৱে একমত যে বুদ্ধিৰ জৰিয়তে যি জ্ঞান লাভ কৰা যায় সেই জ্ঞান যথাৰ্থ আৰু নিশ্চিত। তথাপি ইন্দ্ৰিয়লব্ধ জ্ঞান সম্পৰ্কে এওঁলোক একমত নহয়। কোনো কোনোৰ মতে ইন্দ্ৰিয়লব্ধ জ্ঞান মানেই ভ্ৰান্ত আৰু কোনো কোনোৰ মতে এই জ্ঞান অসম্পূৰ্ণ আৰু অযথাৰ্থ।

ডেকাৰ্টক আধুনিক পাশ্চাত্য দৰ্শনৰ জনক বুলি কোৱা হয়। তেওঁ পাশ্চাত্য দৰ্শনৰ ইতিহাসত বুদ্ধিবাদক এক মৰ্যদাৰ আসনত প্ৰতিষ্ঠা কৰে। ডেকাৰ্টৰ মতে আমাৰ মনত তিনি প্ৰকাৰৰ ধাৰণা থাকে। যেনে— (1) আগন্তুক ধাৰণা (Adventitious Idea), (2) কৃত্ৰিম বা কাল্পনিক ধাৰণা (Factitious Ideas) আৰু (3) অন্তৰ্জাত ধাৰণা (Innate Ideas)।

যিবোৰ ধাৰণা বাহ্যবস্তুৰ লগত ইন্দ্ৰিয়ৰ সংস্পৰ্শৰ ফলত আমাৰ মনলৈ আহে, সেইবোৰ ধাৰণাক আগন্তুক ধাৰণা বোলে। যেনে— নদী, পাহাৰ, নীলা আকাশ, গছৰ পাত আদি।

যিবোৰ ধাৰণা কোনো বাহ্যবস্তুৰ ওপৰত নিৰ্ভৰ নকৰাকৈ মনে দুই বা তাতোধিক ধাৰণাক সংযোগ কৰি এক নতুন ধাৰণা সাজি লয়, তাকে কৃত্ৰিম ধাৰণা বোলে। যেনে— পক্ষীৰাজ ঘোঁৰা, সোণৰ পাহাৰ ইত্যাদি। এই ধাৰণাবোৰ কল্পনা প্ৰসূত, সেইকাৰণে এই ধাৰণাবোৰ স্পষ্ট আৰু স্বচ্ছ নহয়। গতিকে এই দুই প্ৰকাৰৰ ধাৰণাৰ পৰা কেতিয়াও যথাৰ্থ জ্ঞান উৎপত্তি হ'ব নোৱাৰে। যথাৰ্থ জ্ঞান অন্তৰ্জাত ধাৰণাৰ পৰা বুদ্ধিৰ জৰিয়তে লাভ কৰা যায়।

ডেকাৰ্টৰ মতে, আমাৰ মনত কিছুমান ধাৰণা জন্মৰ পৰাই থাকে। সেইধাৰণাবোৰ হৈছে অসীমতা, নিত্যতা, পূৰ্ণসত্তা বা ঈশ্বৰৰ ধাৰণা, নৈতিকতাৰ ধাৰণা, কাৰ্য-কাৰণ সম্পৰ্কীয় ধাৰণা ইত্যাদি। এই ধাৰণাবোৰ অভিজ্ঞতাৰ পৰা লাভ কৰা নাযায়। ডেকাৰ্টৰ মতে এই ধাৰণাবোৰ ঈশ্বৰে জন্মৰ সময়তেই আমাৰ মনত ৰোপণ কৰি দিয়ে। এই ধাৰণাবোৰক ডেকাৰ্টে অন্তৰ্জাত ধাৰণা বা সহজাত ধাৰণা (Innate ideas) বুলি কৈছে। এই ধাৰণাবোৰ নিজে নিজেই মনত উদ্ভৱ হয় বাবে এই ধাৰণাবোৰক অন্তৰ্জাত ধাৰণা বুলি কোৱা হয়। বুদ্ধিবাদী দাৰ্শনিক

সকলৰ মতে, অন্তৰ্জাত ধাৰণাসমূহ অভিজ্ঞতাপূৰ্ব ধাৰণা। এইবোৰ স্বত:সিদ্ধ আৰু নিশ্চিত ধাৰণা। সেইকাৰণে এই ধাৰণাবোৰ সকলো মানুহৰ মনত একে হ'ব, কোনো পৰিস্থিতিতেই পৰিবৰ্তিত হ'ব নোৱাৰে। জন্মৰ সময়ত এই ধাৰণাবোৰ সুপ্ত অৱস্থাত থাকে। বুদ্ধিৰ জৰিয়তেই এই ধাৰণাবোৰৰ পৰা যথাৰ্থ জ্ঞানৰ উৎপত্তি হয়।

ডেকাৰ্ট এজন গণিতশাস্ত্ৰবিদ আছিল। তেওঁৰ মতে গণিতত যিদৰে কিছুমান স্বত:সিদ্ধ সূত্ৰৰ পৰা নিগমন পদ্ধতিৰে যথাৰ্থ সিদ্ধান্তত উপনীত হোৱা যায়, ঠিক তেনেকৈ দৰ্শনতো যদি কিছুমান স্বতঃসিদ্ধ অন্তৰ্জাত ধাৰণাৰ পৰা বুদ্ধিৰ জৰিয়তে নিগমন পদ্ধতিৰে সিদ্ধান্তত উপনীত হোৱা যায় তেতিয়া দাৰ্শনিক জ্ঞান গাণিতিক জ্ঞানৰ দৰে সুনিশ্চিত আৰু যথাৰ্থ হ'ব।

দাৰ্শনিক স্পিনোজাও ডেকাৰ্টৰ দৰে বুদ্ধিবাদৰ সমৰ্থক আৰু অন্তৰ্জাত ধাৰণাৰ অস্তিত্বত বিশ্বাসী। স্পিনোজাৰ মতে, দৰ্শনৰ উদ্দেশ্য হৈছে বিষয় বস্তুৰ পূৰ্ণজ্ঞান অৰ্জন কৰা আৰু সেই জ্ঞান কেৱল বিশুদ্ধ চিন্তাৰ বা বুদ্ধিৰ দ্বাৰাই সম্ভৱ। বুদ্ধিৰ দ্বাৰা সত্যক প্ৰত্যক্ষভাৱে জানিব পাৰি। স্পিনোজাৰ মতে সকলো জ্ঞান মানুহৰ মনৰ ভিতৰতে সৃষ্টি হয়। তেওঁৰ মতে, দ্ৰব্য (Substance), গুণ (Quality) আৰু বিকাৰ (Mode)— এই তিনিটাই প্ৰধান অন্তৰ্জাত ধাৰণা আৰু এই তিনিটা ধাৰণাৰ ওপৰত নিৰ্ভৰ কৰিয়েই আন আন সত্যক প্ৰতিষ্ঠা কৰিব পৰা যায়।

দাৰ্শনিক লাইব্‌নিজৰ মতেও যথাৰ্থ জ্ঞান বুদ্ধিৰ পৰাই উৎপত্তি হয়। লাইব্‌নিজৰ মতে মাত্ৰ কিছুমান ধাৰণাই যে অন্তৰ্জাত তেনে নহয়, আমাৰ সকলো ধাৰণাই অন্তৰ্জাত। তেওঁ মন বা আত্মাক 'মনাড' (Monad) বুলি অভিহিত কৰিছে। 'মনাড' হৈছে অসংখ্য আধ্যাত্মিক সত্তা আৰু প্ৰত্যেকটোৱে স্বতন্ত্ৰ। এনে আধ্যাত্মিক সত্তাক তেওঁ 'গবাক্ষবিহীন' বা 'খিৰিকী বিহীন' (Windowless) বুলি অভিহিত কৰিছে। সেইকাৰণে বাহিৰৰ পৰা কোনো জ্ঞান মনৰ ভিতৰত প্ৰৱেশ কৰিব নোৱাৰে। সকলো প্ৰকাৰৰ জ্ঞান মনৰ মাজত সুপ্ত অৱস্থাত নিহিত থাকে আৰু মনে বুদ্ধিৰ জৰিয়তে সেই অন্তৰ্নিৰ্হিত জ্ঞানবোৰৰ বিকাশ সাধন কৰে। গতিকে বুদ্ধিয়েই হৈছে জ্ঞানৰ উৎস।

লাইব্‌নিজৰ পিচত তেওঁৰ শিষ্য ভন উল্‌ফৰ (Von Wolff)ৰ মতবাদেও বুদ্ধিবাদক এটা সুসংহত ৰূপ প্ৰদান কৰে। উল্‌ফৰ মতেও মনৰ ভিতৰত কেতবোৰ মৌলিক তথা অন্তৰ্জাত ধাৰণা নিহিত হৈ থাকে। এই ধাৰণাবোৰৰ ওপৰত ভিত্তি কৰিয়েই নিগমন পদ্ধতিৰে বুদ্ধিৰ জৰিয়তে জগত, আত্মা, ঈশ্বৰ আদি সকলো বিষয়ৰ জ্ঞান লাভ কৰা যায়।

**বুদ্ধিবাদৰ সমালোচনা ঃ**

জ্ঞানোৎপত্তিৰ মতবাদ হিচাপে বুদ্ধিবাদ যদিও এটা উল্লেখযোগ্য মতবাদ তথাপি ই দোষমুক্ত নহয়। বুদ্ধিবাদৰ বিৰুদ্ধে থকা প্ৰধান সমালোচনা সমূহ হ'ল—

(1) বুদ্ধিবাদী দাৰ্শনিক সকলৰ মতে অভিজ্ঞতালব্ধ সকলো জ্ঞানেই সংশয়াত্মক বা ভ্ৰান্ত। বুদ্ধিবাদী সকলৰ এই মত গ্ৰহণযোগ্য নহয়। কিয়নো কোনো কোনো ক্ষেত্ৰত অভিজ্ঞতায়ো আমাক নিশ্চিত আৰু শুদ্ধ জ্ঞান দিব পাৰে। সকলো যথাৰ্থ জ্ঞান অন্তৰ্জাত ধাৰণাৰ পৰা উদ্ভুত— এই কথা মানি লোৱা উচিত নহয়।

(2) ডেকাৰ্টেৰ মতে গণিতশাস্ত্ৰত যিদৰে কেতবোৰ স্বত:সিদ্ধ সূত্ৰৰ পৰা নিগমন পদ্ধতিৰে নিশ্চিত সিদ্ধান্তত উপনীত হোৱা যায়, ঠিক সেইদৰে অন্তৰ্জাত ধাৰণাবোৰৰ পৰা বুদ্ধিৰ জৰিয়তে নিগমন পদ্ধতিৰে দৰ্শনৰ ক্ষেত্ৰতো যথাৰ্থ নিশ্চিত জ্ঞান পোৱা যায়। এই কথাও গ্ৰহণ কৰিব নোৱাৰি। কিয়নো দৰ্শনৰ জ্ঞানৰ লগত গাণিতিক জ্ঞানৰ পাৰ্থক্য আছে। গাণিতিক জ্ঞান হ'ল অমূৰ্ত (abstract) বিষয়ৰ জ্ঞান, আৰু দৰ্শনৰ জ্ঞান মূৰ্ত (concrete) বিষয়ৰ জ্ঞান। অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি চিন্তনৰ জৰিয়তে জগত আৰু জীৱনৰ স্বৰূপ সম্পৰ্কে জ্ঞান দিয়াই দৰ্শনৰ উদ্দেশ্য।

(3) যি অন্তৰ্জাত ধাৰণাৰ ওপৰতে বুদ্ধিবাদৰ ভিত্তি তাক লকৰ পৰা আৰম্ভ কৰি প্ৰায়বোৰ অভিজ্ঞতাবাদী দাৰ্শনিকে তীব্ৰ সমালোচনা কৰিছে। লকৰ মতে প্ৰকৃততে যদি কোনো অন্তৰ্জাত ধাৰণা থাকে তেতিয়াহ'লে এই ধাৰণা সকলোৰে মনত উপস্থিত থাকিব আৰু সকলোৰে এই ধাৰণাবোৰক স্বীকাৰ কৰি ল'ব। কিন্তু সৰ্বজনস্বীকৃত আৰু সমভাৱে সকলোৰে মনত বৰ্তমান এনে ধাৰণা দেখা নাযায়। ঈশ্বৰ, নৈতিকতা প্ৰভৃতি ধাৰণা সম্পৰ্কে মানুহৰ মাজত মতানৈক্য দেখা যায়। সেইকাৰণে স্বত:সিদ্ধ সত্য যে যথাৰ্থতেই স্বত:সিদ্ধ এই সম্পৰ্কে সন্দেহৰ অৱকাশ থাকি যায়।

(4) অন্তৰ্জাত আৰু স্বত:সিদ্ধ সাধাৰণ সত্যৰ পৰাই নিগমন পদ্ধতিৰে সিদ্ধান্তত উপনীত হোৱাই যদি জ্ঞান লাভৰ একমাত্ৰ পন্থা হয়, তেতিয়াহ'লে জ্ঞানৰ অগ্ৰগতিয়েই ৰুদ্ধ হৈ যাব। কিন্তু জ্ঞানৰ অগ্ৰগতিক কোনোমতেই অস্বীকাৰ কৰিব নোৱাৰি।

(5) বুদ্ধিবাদী দাৰ্শনিক সকলে বুদ্ধিকেই যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। অভিজ্ঞতাক বাদ দি বুদ্ধিকেই জ্ঞানৰ একমাত্ৰ উৎস বুলি কৈছে। বুদ্ধিবাদী সকলে যিবিলাক কথা যুক্তি বা বুদ্ধিৰে প্ৰমাণ কৰিব পৰা নাই সেইবিলাক বিনাবিচাৰে গ্ৰহণ কৰিছে। সেইকাৰণে এই মতবাদ নিৰ্বিচাৰবাদী হৈ পৰিছে।

## অভিজ্ঞতাবাদ (Empiricism) ঃ

অভিজ্ঞতাবাদ মতে অভিজ্ঞতাই হৈছে জ্ঞানৰ একমাত্ৰ উৎস। 'অভিজ্ঞতা' শব্দটোৰ দ্বাৰা অভিজ্ঞতাবাদী দাৰ্শনিক সকলে ইন্দ্ৰিয় প্ৰত্যক্ষৰ জৰিয়তে লাভ কৰা জ্ঞানৰ কথা বুজাইছে। আমাৰ সকলো জ্ঞান ইন্দ্ৰিয় অভিজ্ঞতাৰ পৰাই লাভ কৰা যায়। গতিকে ইন্দ্ৰিয় অভিজ্ঞতাই জ্ঞানৰ একমাত্ৰ উৎস।

প্ৰাচীন কালত গ্ৰীক পৰমাণুবাদী (Atomist) আৰু চফিষ্টসকলে (Sophists) সৰ্বপ্ৰথমে এই মতবাদৰ প্ৰৱৰ্তন কৰে। তেওঁলোকৰ মতে অভিজ্ঞতাৰ পৰাই জ্ঞানৰ উৎপত্তি হয়। চফিষ্ট সকলৰ মতে, ব্যক্তিৰ অভিজ্ঞতাই হ'ল সত্য-মিথ্যা বিচাৰৰ মাপকাঠি।

বৰ্তমান কালৰ দাৰ্শনিক বেকনে (Francis Bacon) অভিজ্ঞতাবাদক প্ৰণালীবদ্ধভাৱে প্ৰতিষ্ঠা কৰে। দাৰ্শনিক বেকনৰ মতে অভিজ্ঞতাৰ দ্বাৰাই জ্ঞানৰ উপকৰণ সংগৃহীত হয়। প্ৰকৃত দাৰ্শনিকে মৌমাখিৰ দৰে এই উপকৰণবোৰৰ দ্বাৰাই নিজৰ ক্ষমতাৰে জ্ঞানৰ সৌধ গঢ়ি তোলে।

আধুনিক পাশ্চাত্য দৰ্শনত অভিজ্ঞতাবাদী দাৰ্শনিক হিচাপে জন লক (Jhon Locke), বাৰ্কলে (Berkeley) আৰু হিউমৰ (Hume) নাম বিশেষভাৱে উল্লেখযোগ্য। বৃটিছ দাৰ্শনিক জন লকেই এই অভিজ্ঞতাবাদক এটা সুসংহত আৰু সুস্পষ্ট ৰূপদান কৰিছিল। তেওঁৰ মতে অভিজ্ঞতাই বা ইন্দ্ৰিয়-প্ৰত্যক্ষই জ্ঞানৰ একমাত্ৰ উৎস। অভিজ্ঞতাপূৰ্ব কোনো অৰ্ন্তজাত ধাৰণাৰ অস্তিত্ব মানুহৰ মনত নাথাকে। তেওঁ দাৰ্শনিক ডেকাৰ্টৰ অৰ্ন্তজাত ধাৰণা সম্পৰ্কীয় মতবাদৰ তীব্ৰ সমালোচনা কৰিছিল আৰু তাৰ বিৰুদ্ধে কিছুমান যুক্তি উপস্থাপিত কৰিছিল।

(1) অন্তৰ্জাত ধাৰণাৰ যদি প্ৰকৃততে কোনো অস্তিত্ব থাকে তেনেহ'লে প্ৰত্যেকজন মানুহৰ মনতেই এই ধাৰণা থাকিব লাগিব। কিন্তু শিশু, নিৰ্বোধ, অশিক্ষিত আদি ব্যক্তিৰ মনত এই ধাৰণাবোৰ নাথাকে। কাৰ্যকাৰণ সম্বন্ধ, অসীমতা, নিত্যতা, ঈশ্বৰ প্ৰভৃতিৰ ধাৰণা সম্পৰ্কে এওঁলোক সচতেন নহয়।

(2) অন্তৰ্জাত ধাৰণাৰ যদি প্ৰকৃততে অস্তিত্ব থাকে তেনেহ'লে এই ধাৰণাবোৰৰ সম্পৰ্কে সকলোৱে একমত হ'ব লাগিব। কিন্তু ঈশ্বৰ, নৈতিক নিয়ম আদি ধাৰণা সম্পৰ্কে মানুহৰ মাজত মতভেদ দেখা যায়।

(3) আকৌ কিছুমান ধাৰণা সকলোৰে মনত সমভাৱে উপস্থিত থাকিলেও সেইবোৰ ধাৰণা অন্তৰ্জাত নহ'বও পাৰে। যেনে— জুই, তাপ, সূৰ্য আদি সম্পৰ্কে সকলোৰে ধাৰণা একেই। কিন্তু এই ধাৰণাবোৰ অন্তৰ্জাত নহয়। এইবোৰ ধাৰণা অভিজ্ঞতাৰ পৰাহে অৰ্জন কৰা হয়।

অন্তৰ্জাত ধাৰণাৰ অস্তিত্ব খণ্ডন কৰি জন লকে প্ৰতিষ্ঠা কৰিব বিচাৰিছিল যে সকলো জ্ঞানেই অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰশীল। লকে তেওঁৰ 'An Essay Concerning Human Understanding' নামৰ বিখ্যাত গ্ৰন্থখনত অভিজ্ঞতাবাদৰ দাৰ্শনিক ভিত্তি স্থাপন কৰে। লকৰ মতে জন্মৰ সময়ত মানুহৰ মন এখিলা অলিখিত কাগজৰ (Tabula rasa) দৰে; যত সকলো কথা অভিজ্ঞতাৰ দ্বাৰা লিখা হয়। মনে সকলো ধাৰণা অভিজ্ঞতাৰ পৰা লাভ কৰে। অভিজ্ঞতা দুই প্ৰকাৰৰ— সংবেদন (Sensation) আৰু অন্তদৰ্শন (Introspection)। সংবেদনৰ দ্বাৰা বাহ্যজগতৰ বস্তু (যেনে— ৰং, গোন্ধ, ওজন ইত্যাদি) সম্পৰ্কে জ্ঞান হয় আৰু অন্তৰ্দৰ্শনৰ দ্বাৰা অন্তৰ জগত (যেনে— সুখ, দুখ, মৰম

ইত্যাদি) সম্পৰ্কে জ্ঞান হয়। সংবেদন আৰু অন্তদৰ্শন অবিহনে মনত কোনো ধাৰণাৰ উৎপত্তি হ'ব নোৱাৰে। মানুহৰ মনে কেৱল মাত্ৰ নিষ্ক্ৰিয়ভাৱে বাহ্যিক জগতৰ পৰা ধাৰণাবোৰ গ্ৰহণ কৰে। মনত ধাৰণা আহি উপস্থিত নোহোৱা পৰ্যন্ত মনে একো কৰিব নোৱাৰে। বিভিন্ন ধাৰণা মনত উপস্থিত হ'লে সেইবোৰ পৰস্পৰৰ লগত তুলনা আৰু সংযুক্ত কৰি মনে জটিল ধাৰণাৰ সৃষ্টি কৰে আৰু বিশেষ বিশেষ তেনে ধাৰণাৰ ওপৰত নিৰ্ভৰ কৰি আগমন পদ্ধতিৰে সামান্যীকৰণ কৰি সামান্য ধাৰণা বা সমান্য সত্যৰ জ্ঞান লাভ কৰে। লকৰ মতে, বিভিন্ন ধাৰণাৰ মাজত সাদৃশ্য-বৈসাদৃশ্য আদিৰ সম্বন্ধ প্ৰত্যক্ষ কৰাই জ্ঞান। গতিকে অভিজ্ঞতাই সকলো প্ৰকাৰৰ জ্ঞানৰ মূল উৎস। জ্ঞানত বুদ্ধিৰ কোনো অৰিহণা নাই। লকৰ মতে, বুদ্ধিত এনে কোনো ধাৰণা নাই, যাক ইন্দ্ৰিয়ৰ পৰা আগতে লাভ কৰা নাযায় (There is nothing in the intellect which was not previously in the sense)। গতিকে জ্ঞান অভিজ্ঞতাপূৰ্ব (a priori) নহয়, অভিজ্ঞতাপ্ৰসূতহে (a posteriori)।

জৰ্জ বাৰ্কলেও (George Berkeley) এজন অভিজ্ঞতাবাদী দাৰ্শনিক। তেওঁৰ মতেও অভিজ্ঞতা বা প্ৰত্যক্ষই জ্ঞানৰ একমাত্ৰ উৎস। যি প্ৰত্যক্ষ কৰা যায় কেৱল সেই বস্তুৰহে অস্তিত্ব আছে। বস্তুৰ অস্তিত্ব প্ৰত্যক্ষ নিৰ্ভৰ (Esse est percipi)। অৰ্থাৎ যাক প্ৰত্যক্ষ কৰিব নোৱাৰি তাৰ অস্তিত্ব থাকিব নোৱাৰে। বাৰ্কলেৰ মতে মনৰ অস্তিত্ব নোহোৱাকৈ প্ৰত্যক্ষৰ অস্তিত্ব থাকিব নোৱাৰে। তেওঁৰ মতে প্ৰত্যক্ষৰ দ্বাৰা মাত্ৰ ধাৰণাৰ জ্ঞান পোৱা যায় আৰু ধাৰণা যিহেতু মনৰ বিষয় সেইকাৰণে মাত্ৰ মনৰহে অস্তিত্ব আছে। বাৰ্কলেই মনৰ বাহিৰে গুণৰ আধাৰৰূপে বস্তুৰ স্বতন্ত্ৰ সত্তাৰ অস্তিত্ব অস্বীকাৰ কৰিছে।

দাৰ্শনিক হিউমেও মন আৰু দ্ৰব্য— এই দুয়োটাৰে অস্তিত্ব অস্বীকাৰ কৰে। তেওঁৰ মতে ইন্দ্ৰিয়-প্ৰত্যক্ষ বা অভিজ্ঞতাই যদি জ্ঞান লাভৰ একমাত্ৰ উপায় হয় তেনেহ'লে অভিজ্ঞতাত নথকা বা ইন্দ্ৰিয়-প্ৰত্যক্ষগোচৰ নোহোৱা কোনো বস্তুৰ অস্তিত্ব থাকিব নোৱাৰে। হিউমৰ মতে, অভিজ্ঞতাই ঢুকি নোপোৱা সত্তাৰ জ্ঞানৰ সকলো প্ৰচেষ্টা ফলহীন। সেয়ে তেওঁ মন, দ্ৰব্য, ঈশ্বৰ, আত্মা, কাৰ্যকাৰণ সম্পৰ্ক আদিৰ অস্তিত্বক অস্বীকাৰ কৰে। কিয়নো এইবোৰ প্ৰত্যক্ষৰ বিষয় নহয়। গতিকে এইবোৰৰ অস্তিত্ব নাই।

হিউমৰ অভিজ্ঞতাবাদত ইন্দ্ৰিয় সংবেদনৰ মাধ্যমত লাভ কৰা জ্ঞানৰ বাহিৰে আন কোনো জ্ঞানৰ স্থান নাই। ইন্দ্ৰিয়ৰ লগত যেতিয়া ইন্দ্ৰিয়ৰ বিষয়বস্তুৰ সংযোগ ঘটে তেতিয়া সেই বিষয়বস্তুৰ এটা ছাপ আমাৰ মনত পৰে। ইয়াক মুদ্ৰণ (impression) বোলে। এই মুদ্ৰণ বা ছাপ যেতিয়া অস্পষ্ট হয় তেতিয়া তাক ধাৰণা (idea) বোলা হয়। এই মুদ্ৰণ বা ধাৰণাবোৰ অনুষংগ নিয়মৰ দ্বাৰা পৰস্পৰৰ লগত যেতিয়া নিজে নিজে সংযুক্ত হয় তেতিয়াই জ্ঞানৰ উৎপত্তি হয়। এইবোৰক যুক্ত কৰাৰ বাবে কোনো অন্তৰ ধাৰণা বা স্বতঃসিদ্ধ বুদ্ধিৰ আকাৰৰ প্ৰয়োজন নহয়।

হিউমৰ মতে জ্ঞানৰ উৎপত্তিৰ ক্ষেত্ৰত বুদ্ধিৰ কোনো অৱদান নাই। জ্ঞান সম্পূৰ্ণৰূপে অভিজ্ঞতালব্ধ। যাক অভিজ্ঞতা বা ইন্দ্ৰিয়-প্ৰত্যক্ষৰ দ্বাৰা ব্যাখ্যা কৰিব নোৱাৰি তেনে ধাৰণাক বা বস্তুক তেওঁ স্বীকাৰ কৰা নাই। জ্ঞানৰ উৎস হিচাপে অভিজ্ঞতাৰ প্ৰতি থকা এই আনুগত্যৰ বাবে হিউমক পাশ্চাত্য দৰ্শনত চৰমপন্থী অভিজ্ঞতাবাদী বুলি অভিহিত কৰা হয়।

হিউমৰ মতে বৈজ্ঞানিক জ্ঞান সাৰ্বিক আৰু সুনিশ্চিত নহয়। কিয়নো বৈজ্ঞানিক জ্ঞান কাৰ্য-কাৰণ তত্বৰ ওপৰত প্ৰতিষ্ঠিত আৰু কাৰ্য-কাৰণ সম্বন্ধ সঠিক আৰু অনিবাৰ্য সম্বন্ধ নহয়। অনিবাৰ্য সম্বন্ধ এই জ্ঞান অভিজ্ঞতাৰ পৰা লাভ কৰা নাযায়। হিউমৰ মতে সাৰ্বিক আৰু অনিবাৰ্য সত্যৰ কোনো অস্তিত্ব নাই। কোনো জ্ঞানেই সুনিশ্চিত নহয়। সকলো জ্ঞানেই সম্ভাব্য। সেইকাৰণে হিউমক সংশয়বাদী দাৰ্শনিক বুলি অভিহিত কৰা হয়। হিউমৰ অভিজ্ঞাতাবাদৰ অনিবাৰ্য পৰিণতি হৈছে সংবেদনবাদ আৰু সংশয়বাদ।

**সমালোচনা ঃ**

বুদ্ধিবাদৰ দৰে অভিজ্ঞতাবাদেও জ্ঞানৰ উৎপত্তি সম্পৰ্কে এক সন্তোষজনক ব্যাখ্যা আগবঢ়াব পৰা নাই। সেয়ে অভিজ্ঞতাবাদো সমালোচনাৰ পৰা মুক্ত নহয়। অভিজ্ঞতাবাদৰ প্ৰধান সমালোচনা সমূহ হ'ল—

(1) অভিজ্ঞতাবাদী সকলৰ মতে, ধাৰণাক গ্ৰহণ কৰাৰ সময়ত মন সম্পূৰ্ণভাৱে নিষ্ক্ৰিয় হৈ থাকে আৰু পিচত বিভিন্ন ধাৰণাই পৰস্পৰৰ লগত যুক্ত হৈ জটিল ধাৰণা গঠন কৰাৰ সময়ত মন সক্ৰিয় হৈ উঠে। কিন্তু মনোবিজ্ঞান অনুসাৰে মনৰ সক্ৰিয়তাৰ বাবেই সংবেদনৰ পৰা ধাৰণাৰ সৃষ্টি হয়। সেই কাৰণে ধাৰণা গ্ৰহণ কৰাৰ সময়ত মন সক্ৰিয়, নিষ্ক্ৰিয় নহয়। গোলাপ ফুলৰ ধাৰণা মানেই গোলাপ ফুলৰ বিভিন্ন সংবেদনক গোলাপ বুলি বাখ্যা কৰা হয়। সেইটো নহ'লে গোলাপ ফুলৰ ধাৰণা মনত আহিবই নোৱাৰে।

(2) অভিজ্ঞতাবাদী লকৰ মতে, মন হ'ল এখন অলিখিত বগা কাগজ। এই ধাৰণাটোও ঠিক নহয়। অন্তৰ্জাত ধাৰণা নাথাকিলেও শিশুৰ মনৰ মাজত এটা অন্তৰ-প্ৰৱণতা (Innate tendency) লক্ষ্য কৰা যায়, যাৰ বাবে একেটা পৰিয়ালৰ দুটি শিশুৰ মন দুইভাৱে গঢ়ি উঠে। লকে সাৰ্বিক আৰু অনিবাৰ্য সত্যৰ অস্তিত্বও স্বীকাৰ কৰা নাই। কিন্তু জ্ঞানৰ ক্ষেত্ৰত কিছুমান সাৰ্বিক আৰু অনিবাৰ্য সত্য আছে যিবোৰ বুদ্ধিৰ পৰাহে লাভ কৰিব পৰা যায়, যিবোৰ অবিহনে জ্ঞান সম্ভৱ নহয়।

(3) হিউমে মনৰ কোনো স্থায়ী সত্তা স্বীকাৰ কৰা নাই। তেওঁ বিচ্ছিন্ন সংবেদন আৰু ধাৰণাকেই জ্ঞানৰ উপকৰণ বুলি নিৰ্দেশ কৰিছিল। কিন্তু এই সকলো বিচ্ছিন্ন সংবেদন আৰু ধাৰণাৰ মাজত যদি কোনো আভ্যন্তৰীণ যোগসূত্ৰ নাথাকে তেতিয়াহ'লে জ্ঞানৰ ঐক্য আৰু নিৰবিচ্ছিন্নতা ব্যাখ্যা কৰা নাযায়। মন

যদি কোনো স্থায়ী সত্তা নহয় তেতিয়াহ'লে তাৰ ঐক্যবিধান বা সংশ্লেষণৰ ক্ষমতা নাথাকিব, আৰু এই ক্ষমতা বাহিৰে অনুষংগৰ নিয়মবোৰ অৰ্থহীন হৈ পৰিব। বিচ্ছিন্ন সংবেদনৰ সহায়ত অনুষংগৰ নিয়মবোৰ ব্যাখ্যা কৰিব পৰা নাযায়।

(4) হিউম হ'ল এজন সংশয়বাদী দাৰ্শনিক। তেওঁ সুনিশ্চিত জ্ঞানৰ অস্তিত্বত বিশ্বাস নকৰে। তেওঁৰ মতে সকলো জ্ঞানেই সম্ভাব্য। কিন্তু সংশয়বাদক কোনোমতে সমৰ্থন কৰিব নোৱাৰি। সুনিশ্চিত জ্ঞান যদি সম্ভৱ নহয় তেতিয়াহ'লে হিউমৰ মতবাদো সম্ভাব্য হ'ব। গতিকে তেওঁৰ মতবাদক সুনিশ্চিত বুলি গ্ৰহণ কৰিব নোৱাৰি।

(5) জ্ঞানৰ ক্ষেত্ৰত বুদ্ধিৰ অৱদান কিমান তাক বিচাৰ নকৰাকৈ অভিজ্ঞতাবাদী দাৰ্শনিক সকলে জ্ঞানৰ সীমা নিৰ্ধাৰণ কৰাৰ চেষ্টা কৰিছিল। অভিজ্ঞতা বা ইন্দ্ৰিয় সংবেদনকে জ্ঞানৰ একমাত্ৰ উৎস বুলি গণ্য কৰা বাবে অভিজ্ঞতাবাদী সকলৰ দৃষ্টিভংগী যে বিচাৰবিযুক্তবাদী বা নিৰ্বিচাৰবাদী তাক কাণ্টে উল্লেখ কৰিছে।

## পাঠৰ মূলকথা ঃ

**বুদ্ধিবাদ ঃ** বুদ্ধিবাদ মতে বুদ্ধিয়েই হৈছে জ্ঞানৰ একমাত্ৰ উৎস। বুদ্ধিবাদৰ বৈশিষ্ট্য—

(1) বুদ্ধিয়েই যথাৰ্থ জ্ঞানৰ একমাত্ৰ উৎস। বুদ্ধিৰ পৰাই স্বত:সিদ্ধ আৰু অৱশ্যস্বীকাৰ্য অন্তৰ্জাত ধাৰণাবোৰ পোৱা যায়।

(2) অন্তৰ্জাত ধাৰণাৰ পৰাই জ্ঞানৰ উৎপত্তি হয়। অন্তৰ্জাত ধাৰণাৰ পৰা লাভ কৰা জ্ঞান অনিবাৰ্য, সাৰ্বজনীন আৰু নিশ্চিত।

(3) অন্তৰ্জাত ধাৰণা সমূহৰ পৰা জ্ঞান গঠন কৰাৰ সময়ত মানুহৰ মনে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে।

(4) বুদ্ধিবাদী দাৰ্শনিক সকলে ইন্দ্ৰিয় অভিজ্ঞতাক সম্পূৰ্ণভাৱে অস্বীকাৰ কৰা নাই। অৱশ্যে ইন্দ্ৰিয় অভিজ্ঞতা সম্পৰ্কে বুদ্ধিবাদী দাৰ্শনিক সকল একমত নহয়। তথাপি তেওঁলোকে ইন্দ্ৰিয় অভিজ্ঞতাক বুদ্ধিৰ দ্বাৰা লাভ কৰা সাৰ্বিক সত্য বুলিয়েই মন কৰে।

**অভিজ্ঞতাবাদ ঃ** অভিজ্ঞতাবাদ মতে অভিজ্ঞতাই হৈছে জ্ঞানৰ একমাত্ৰ উৎস।

অভিজ্ঞতাবাদৰ বৈশিষ্ট্য—

(1) জন্মৰ সময়ত মানুহে মনত কোনো ধাৰণা লৈ জন্ম গ্ৰহণ নকৰে। জন্মৰ সময়ত মানুহৰ মন এখিলা অলিখিত বগা কাগজৰ দৰে। মনে সকলো ধাৰণা অভিজ্ঞতাৰ পৰাই লাভ কৰে।

(2) অভিজ্ঞতা দুই প্ৰকাৰৰ— সংবেদন আৰু অন্তদৰ্শন। সংবেদনৰ দ্বাৰা বাহ্যজগতৰ যেনে— ৰং, গোন্ধ আদিৰ অভিজ্ঞতা জন্মে আৰু অন্তৰ্দৰ্শনৰ দ্বাৰা মনোজগত বা মানসিক অৱস্থাৰ যেনে— দুখ, সুখ আদিৰ অভিজ্ঞতা জন্মে।

(3) ধাৰণাক গ্ৰহণ কৰাৰ সময়ত মন সম্পূৰ্ণ ভাৱে নিষ্ক্ৰিয় হৈ থাকে আৰু পিচত

বিভিন্ন ধাৰণাই পৰস্পৰৰ লগত যুক্ত হৈ জটিল ধাৰণা গ্ৰহণ কৰাৰ সময়ত মন সক্ৰিয় হৈ উঠে।

(4) অভিজ্ঞতাৰ পৰা কোনো বস্তু সম্পৰ্কে বিশেষ বিশেষ জ্ঞান লাভ কৰা যায়, আৰু এই বিশেষ বিশেষ জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰি আগমন পদ্ধতিৰে সামান্যীকৰণ কৰি সামান্য ধাৰণা বা সামান্য সত্যৰ জ্ঞান লাভ কৰিব পৰা যায়।

**অভিজ্ঞতাপূৰ্ব জ্ঞান ঃ** যি জ্ঞান অভিজ্ঞতা লাভৰ পূৰ্বেই ব্যক্তিৰ মনত স্পষ্টভাৱে থাকে, যি জ্ঞান অভিজ্ঞতাৰ পৰা উদ্ভৱ নহয়। অভিজ্ঞতাপূৰ্ব জ্ঞান হ'ল সেই জ্ঞান যি সকলো প্ৰকাৰ অভিজ্ঞতা আৰু সকলো প্ৰকাৰ ইন্দ্ৰিয়লব্ধ জ্ঞান নিৰপেক্ষ।

**অভিজ্ঞতালব্ধ বা অভিজ্ঞতা প্ৰসূত জ্ঞান ঃ** যি জ্ঞান ইন্দ্ৰিয় প্ৰত্যক্ষ বা অভিজ্ঞতাৰ পৰা উদ্ভৱ হয় তাক অভিজ্ঞতা প্ৰসূত জ্ঞান বুলি কোৱা হয়।

## অনুশীলনী

**1.** খালী ঠাই পূৰণ কৰা ঃ

(a) অভিজ্ঞতাবাদী সকলৰ মতে — জ্ঞানৰ উৎস।

(b) বুদ্ধিবাদী সকলৰ মতে — জ্ঞানৰ উৎস।

(c) ডেকাৰ্ট এজন — দাৰ্শনিক ।

(d) বাৰ্কলে এজন — দাৰ্শনিক।

(e) লকৰ মতে জন্মৰ সময়ত আমাৰ মনটো — ৰ নিচিনা হৈ থাকে।

(f) অভিজ্ঞতাবাদৰ অনিবাৰ্য পৰিণতি হৈছে — আৰু —।

(g) বুদ্ধিবাদৰ মতে জ্ঞান উৎপাদনত মনৰ ভূমিকা —।

(h) 'অস্তিত্ব প্ৰত্যক্ষ নিৰ্ভৰ' উক্তিটো — ৰ দৰ্শনত পোৱা যায়।

**2.** সংজ্ঞা দিয়া ঃ

(a) বুদ্ধিবাদ

(b) অভিজ্ঞতাবাদ

(c) অন্তৰ্জাত ধাৰণা

(d) অভিজ্ঞতাপূৰ্ব জ্ঞান

(e) অভিজ্ঞতাপ্ৰসূত জ্ঞান

**3.** পাৰ্থক্য নিৰ্ণয় কৰা।

(a) বুদ্ধিবাদ আৰু অভিজ্ঞতাবাদ

(b) অভিজ্ঞতাপূৰ্ব জ্ঞান আৰু অভিজ্ঞতাপ্ৰসূত জ্ঞান

**4.** চমুটোকা লিখা ঃ

(a) বুদ্ধিবাদ

(b) অভিজ্ঞতাবাদ

(c) অস্তিত্ব প্ৰত্যক্ষ নিৰ্ভৰ

(d) অন্তৰ্জাত ধাৰণা

**5.** উত্তৰ দিয়া ঃ

(a) দুজন বুদ্ধিবাদী গ্ৰীক দাৰ্শনিকৰ নাম লিখা।

(b) তিনিজন আধুনিক বুদ্ধিবাদী দাৰ্শনিকৰ নাম লিখা।

(c) অভিজ্ঞতাবাদ মতবাদটো সৰ্বপ্ৰথমে কোনে প্ৰৱৰ্তন কৰিছিল?

(d) তিনিজন অভিজ্ঞতাবাদী দাৰ্শিনিকৰ নাম লিখা।

(e) হিউমক কিয় চৰমপন্থী অভিজ্ঞতাবাদী দাৰ্শনিক বুলি অভিহিত কৰা হয়?

(f) হিউমক কিয় সংশয়বাদী দাৰ্শনিক বুলি অভিহিত কৰা হয়?

(g) আধুনিক পাশ্চাত্য দৰ্শনৰ জনক বুলি কাক কোৱা হয়?

(h) 'জন্মৰ সময়ত মানুহৰ মন এখিলা অলিখিত কাগজৰ দৰে' বুলি কোনে কৈছিল? কথাষাৰ ব্যক্ত কৰা সিদ্ধান্তটো কি?

(i) 'পূৰ্বতে ইন্দ্ৰিয়ত নথকা কোনো কথাই বুদ্ধিত থাকিব নোৱাৰে'— এই উক্তিটো কাৰ? তেওঁ জ্ঞান উৎপত্তি সম্পৰ্কীয় কোনটো মতবাদৰ লগত জড়িত?

(j) অন্তৰ্জাত ধাৰণা কি? জ্ঞান উৎপত্তি সম্পৰ্কীয় কোনটো তত্বৰ লগত অন্তৰ্জাত ধাৰণা তত্বটো জড়িত?

**6.** লকে কি কি যুক্তিৰ দ্বাৰা অন্তৰ্জাত ধাৰণাবোৰ খণ্ডন কৰিছে।

**7.** জ্ঞানৰ উৎপত্তি সম্পৰ্কীয় মতবাদ হিচাপে বুদ্ধিবাদ তত্বটো আলোচনা কৰা।

**8.** জ্ঞানৰ উৎপত্তি সম্পৰ্কীয় মতবাদ হিচাপে অভিজ্ঞতাবাদ তত্বটো আলোচনা কৰা।

* * *

দ্বিতীয় অধ্যায়

# প্ৰমাণ ঃ প্ৰত্যক্ষ আৰু অনুমান

## 7.2.1 প্ৰমাণ ঃ প্ৰত্যক্ষ আৰু অনুমান

ভাৰতীয় দৰ্শনৰ অন্তৰ্গত আটাইকেইটা সম্প্ৰদায়ৰ নিজস্ব জ্ঞানোৎপত্তি তত্ব আছে। জ্ঞানৰ উৎপত্তি তত্বক কেন্দ্ৰ কৰি আৱৰ্তন কৰা প্ৰধান প্ৰশ্ন সমূহ হ'ল— জ্ঞান কি? যথাৰ্থ আৰু অযথাৰ্থ জ্ঞানৰ পাৰ্থক্য নো কি? যথাৰ্থ জ্ঞান লাভৰ শুদ্ধ আৰু সুৰক্ষিত উপায়েই বা কি? ইত্যাদি। আমি সাধাৰণতে ব্যৱহাৰ কৰা 'জ্ঞান' শব্দটোত যথাৰ্থ আৰু ভ্ৰান্ত উভয় প্ৰকাৰৰ জ্ঞানেই যুক্ত থাকিব পাৰে। কিন্তু দৰ্শনৰ পৰম উদ্দেশ্যই হ'ল যথাৰ্থ সত্য জ্ঞান লাভ কৰা। ভাৰতীয় দৰ্শনত যথাৰ্থ জ্ঞানক 'প্ৰমা' আখ্যা দিয়া হৈছে। এই প্ৰমা হ'ল সকলো সংশয়ৰ পৰা মুক্ত, নিশ্চিত স্বভাৱৰ জ্ঞান। ভাৰতীয় দৰ্শনত এই অভ্ৰান্ত , সুনিশ্চিত জ্ঞান অৰ্জনৰ উপায়কেই প্ৰমাণ বুলি অভিহিত কৰা হৈছে। জ্ঞান মীমাংসাত প্ৰমাণৰ ভূমিকা নিঃসন্দেহে অতি গুৰুত্বপূৰ্ণ। প্ৰমাণ হ'ল যথাৰ্থ জ্ঞানৰ উৎস। এই প্ৰমাণক ব্যাখ্যা কৰা হৈছে প্ৰমাৰ কৰণ বুলি। অৰ্থাৎ ই এনে এক অসাধাৰণ কাৰণ যাৰ অনুপস্থিতিত কাৰ্য সাধিত হ'ব নোৱাৰে, আনহাতে উপস্থিতিয়ে অনিবাৰ্যভাৱে কাৰ্য উৎপাদন কৰে। ভাৰতীয় তৰ্কশাস্ত্ৰত প্ৰমাণক জ্ঞান অৰ্জনৰ সবাতোকৈ সুৰক্ষিত উপায় হিচাপে অভিহিত কৰা হয়।

ভাৰতীয় দৰ্শনত মুঠ ছয়বিধ প্ৰমাণক স্বীকাৰ কৰা হয়— প্ৰত্যক্ষ, অনুমান, উপমান, শব্দ, অৰ্থাপত্তি আৰু অনুপলব্ধি। অৱশ্যে দাৰ্শনিক সম্প্ৰদায় সমূহে এই প্ৰমাণ কেইবিধৰ স্বৰূপ আৰু বৈধতাক লৈ ভিন্ন মত পোষণ কৰা দেখা যায়। অতি প্ৰাচীন তথা জড়বাদী সম্প্ৰদায় ৰূপে খ্যাত চাৰ্বাক দৰ্শনে ছয়বিধ প্ৰমাণৰ ভিতৰত একমাত্ৰ প্ৰত্যক্ষকহে বৈধ প্ৰমাণ ৰূপে গ্ৰহণ কৰে অন্যান্য প্ৰমাণ সমূহৰ নিৰ্ভৰযোগ্যতাক অস্বীকাৰ কৰে। বৌদ্ধ আৰু জৈন দৰ্শনে প্ৰত্যক্ষৰ উপৰিও অনুমানকো বৈধ প্ৰমাণ হিচাপে গ্ৰহণ কৰিছে। একেদৰে বৈশেষিক দৰ্শনেও প্ৰত্যক্ষ আৰু অনুমান উভয় প্ৰকাৰ প্ৰমাণক স্বীকৃতি দিয়ে। ন্যায় দৰ্শনে চাৰিবিধ প্ৰমাণৰ বৈধতা স্বীকাৰ কৰে। ই প্ৰত্যক্ষ আৰু অনুমানৰ লগতে শব্দ আৰু উপমানকো যথাৰ্থ প্ৰমাণ বুলি অভিহিত কৰে। মীমাংসা দৰ্শনৰ এটা সম্প্ৰদায় (প্ৰভাকৰ মিশ্ৰ সম্প্ৰদায়) অনুপলব্ধিৰ বাহিৰে বাকী পাঁচোটা প্ৰমাণ অৰ্থাৎ প্ৰত্যক্ষ, অনুমান, উপমান, শব্দ আৰু অৰ্থাপত্তিৰ বৈধতা স্বীকাৰ কৰে। আনহাতে মীমাংসাৰ আনটো সম্প্ৰদায় (ভট্ট মীমাংসা) আৰু বেদান্তই ভাৰতীয় জ্ঞানমীমাংসাত উল্লেখিত

ছয়টা প্ৰমাণকে গ্ৰহণ কৰি প্ৰতিটো প্ৰমাণৰ গুৰুত্বপূৰ্ণ ব্যাখ্যা আগবঢ়োৱা দেখা যায়।

## 7.2.2 প্ৰত্যক্ষ ঃ

প্ৰত্যক্ষ হ'ল বৈদিক আৰু অবৈদিক উভয় সম্প্ৰদায়ে স্বীকৃতি দিয়া একমাত্ৰ প্ৰমাণ। ভাৰতীয় দৰ্শনত মুঠ ছয়বিধ প্ৰমাণৰ বিষয়ে আলোচনা কৰা হৈছে যদিও ইয়াৰ ভিতৰত বহলভাৱে চৰ্চা কৰা হয় প্ৰত্যক্ষ আৰু অনুমানৰ বিষয়ে। প্ৰত্যক্ষ বুলি ক'লে ইয়াৰ এটা সঠিক, যথাযথ সংজ্ঞা আগবঢ়োৱা সহজ নহয়। প্ৰত্যক্ষৰ স্বৰূপ আৰু সংজ্ঞাক লৈ দাৰ্শনিক সকলে ভিন ভিন মত পোষণ কৰা দেখা যায়। অৱশ্যে অধিক গৃহীত সংজ্ঞা অনুসৰি ইন্দ্ৰিয় আৰু বিষয়বস্তুৰ সংযোগৰ ফলত যি জ্ঞান লাভ কৰা হয় সেয়াই প্ৰত্যক্ষ। ন্যায় দৰ্শনৰ প্ৰৱৰ্তক মহৰ্ষি গৌতম, বৈশেষিক দৰ্শনৰ কণাদ, মীমাংসা দৰ্শনৰ কুমাৰিল ভট্ট আদি দাৰ্শনিক সকলে এই মতৰ পক্ষে সন্মতি প্ৰদান কৰিছে। কোনো কোনো স্থানত প্ৰত্যক্ষক সাক্ষাৎ জ্ঞান বুলিও উল্লেখ কৰা দেখা যায়। প্ৰত্যক্ষৰ স্বৰূপ বা সংজ্ঞাক লৈ যি মতভেদ নাথাকক কিয়, প্ৰমাণৰ মূল লক্ষণ অনুসৰি প্ৰত্যক্ষ জ্ঞান অভ্ৰান্ত আৰু নিশ্চিত স্বভাৱৰ হ'ব লাগিব। সকলোবোৰ ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়ে জ্ঞানৰ উৎস হিচাপে প্ৰত্যক্ষক মনোনীত কৰে। এনে দৃষ্টান্তই প্ৰমাণ স্বৰূপে প্ৰত্যক্ষৰ নিৰ্ভৰযোগ্যতাকে সূচনা কৰে। আনকি জড়বাদী চাৰ্বাক দাৰ্শনিক সকলে আন সকলোবোৰ প্ৰমাণ অস্বীকাৰ কৰিলেও প্ৰত্যক্ষক প্ৰমাণ হিচাপে গ্ৰহণ কৰিছে। এই দৰ্শন মূলতঃ ইয়াৰ জ্ঞানতত্বৰ ওপৰত প্ৰতিষ্ঠিত। চাৰ্বাকৰ মতে প্ৰত্যক্ষৰ বাহিৰে আন কোনোবিধ প্ৰমাণেই জ্ঞান লাভৰ যথাৰ্থ উৎস হ'ব নোৱাৰে। কিয়নো প্ৰত্যক্ষ জাত জ্ঞান হ'ল স্পষ্ট আৰু সংশয়মুক্ত জ্ঞান। জাগতিক ঘটনা বা বস্তুৰ অস্তিত্ব ইন্দ্ৰিয় অভিজ্ঞতাৰ জৰিয়তে প্ৰত্যক্ষ কৰা হয়। জড়বাদী দৰ্শন অনুসৰি জড় বস্তুৰ বাহিৰে কোনো বস্তুৰ অস্তিত্বই প্ৰমাণযোগ্য নহয় আৰু এই প্ৰমাণ সম্ভৱ হয় প্ৰত্যক্ষৰ মাধ্যমত। গতিকে চাৰ্বাক দৰ্শনৰ বাবে প্ৰত্যক্ষই হ'ল যথাৰ্থ জ্ঞান বা প্ৰমাৰ উৎস। প্ৰত্যক্ষ জ্ঞানৰ এটা লক্ষণীয় বৈশিষ্ট্য এই যে ই স্বতন্ত্ৰ স্বভাৱৰ। ই আন কোনো আনুষংগিক জ্ঞানৰ সাহায্যৰ ওপৰত নিৰ্ভৰ নকৰে।

ভাৰতীয় দৰ্শনৰ প্ৰতিটো সম্প্ৰদায়ে জ্ঞানোৎপত্তি তত্ব সম্পৰ্কে গুৰুত্বপূৰ্ণ ব্যাখ্যা আগবঢ়ায় যদিও তাৰ ভিতৰত ন্যায় দৰ্শনতেই প্ৰমা আৰু প্ৰমাণৰ স্বৰূপ, প্ৰকাৰ, প্ৰয়োজনীয়তা আদিৰ বিষয়ে সৰ্বাধিক বিস্তাৰিত তথা সুক্ষ্মাতিসুক্ষ্ম আলোচনা কৰা দেখা যায়। সেইবাবে ন্যায় দৰ্শন প্ৰমাণ শাস্ত্ৰ ৰূপেও খ্যাত। আমাৰ এই শিতানত কৰিবলগীয়া প্ৰত্যক্ষ আৰু অনুমানৰ বিষয়ে আলোচনাত বিশেষভাৱে ন্যায় দৰ্শনৰ বিচাৰ আৰু দৃষ্টিভংগীকহে প্ৰাধান্য দিয়া হৈছে।

ন্যায় দৰ্শনৰ মতে জ্ঞানৰ প্ৰকৃত উদ্দেশ্য হ'ল বিষয়ৰ স্বৰূপ প্ৰকাশ। ন্যায় দৰ্শনৰ প্ৰৱৰ্তক মহৰ্ষি গৌতমে 'ন্যায় সূত্ৰ'ত যথাৰ্থ জ্ঞানৰূপে প্ৰত্যক্ষ, অনুমান, শব্দ আৰু উপমান— এই চাৰিবিধ প্ৰমাণক স্বীকৃতি দিছে। এই চাৰিবিধ

প্ৰমাণৰ ভিতৰত নিঃসন্দেহে প্ৰত্যক্ষৰ গুৰুত্ব উল্লেখনীয়।

ন্যায় দৰ্শনে প্ৰত্যক্ষক বিভিন্ন শ্ৰেণীত ভাগ কৰিছে। প্ৰত্যক্ষৰ তেনে দুটা প্ৰধান ভাগ হ'ল— লৌকিক প্ৰত্যক্ষ আৰু অলৌকিক প্ৰত্যক্ষ। সাধাৰণতে যেতিয়া আমাৰ ইন্দ্ৰিয়ৰ লগত বিষয়ৰ লৌকিক সংযোগ সংঘটিত হয় তাক লৌকিক প্ৰত্যক্ষ বোলা হয়। এই প্ৰকাৰ প্ৰত্যক্ষত সাধাৰণতে বিষয় আৰু ইন্দ্ৰিয়ৰ সাক্ষাৎ যোগাযোগৰ ফলত জ্ঞান উৎপন্ন হয়। লৌকিক প্ৰত্যক্ষ আকৌ দুই প্ৰকাৰৰ— বাহ্য আৰু মানস। চকু, কাণ, নাক, জিভা, ছাল— এই পঞ্চেন্দ্ৰিয়ক বাহ্য ইন্দ্ৰিয়ৰূপে গ্ৰহণ কৰা হয় আৰু অন্তৰ ইন্দ্ৰিয়ৰূপে স্বীকৃতি দিয়া হয় মনক। বাহ্য ইন্দ্ৰিয় পাঁচটাৰ মাধ্যমত আমি জাগতিক বস্তুৰ ৰূপ, ৰস, শব্দ, গোন্ধ আৰু স্পৰ্শ প্ৰত্যক্ষ কৰিবলৈ সমৰ্থ হওঁ। এনে প্ৰত্যক্ষক আখ্যা দিয়া হয় বাহ্য প্ৰত্যক্ষ বুলি। আনহাতে মনৰ জৰিয়তে আমাৰ চিন্তা, ইচ্ছা, অনুভূতি আদি মানসিক প্ৰক্ৰিয়া সমূহ প্ৰত্যক্ষ কৰাকেই মানস প্ৰত্যক্ষ আখ্যা দিয়া হয়।

ভাৰতীয় দৰ্শনত মনক ষষ্ঠ ইন্দ্ৰিয় বুলি ধৰা হয়। গতিকে দেখা যায় যে উভয় প্ৰকাৰ প্ৰত্যক্ষই ইন্দ্ৰিয় নিৰ্ভৰ। ন্যায় দৰ্শনত অলৌকিক প্ৰত্যক্ষৰ বিষয়েও আলোচনা কৰা হয়। প্ৰত্যক্ষ জ্ঞান অৰ্জনৰ ক্ষেত্ৰত বহু সময়ত আমি এনে কিছুমান বস্তু বা বিষয় প্ৰত্যক্ষ কৰো যাক সেই সময়ত কোনো নিৰ্দিষ্ট ইন্দ্ৰিয়ৰ মাধ্যমত সাক্ষাৎভাৱে লাভ কৰা হোৱা নাই। অৰ্থাৎ কিছুমান ক্ষেত্ৰত বিষয় আৰু ইন্দ্ৰিয়ৰ সম্পৰ্ক সদায় নিকটৱৰ্তী নহয় আৰু তেনে ক্ষেত্ৰত লৌকিক প্ৰত্যক্ষ সম্ভৱ নহয়। বিষয়বস্তু আৰু ইন্দ্ৰিয়ৰ অলৌকিক সংযোগৰ ফলত উৎপন্ন হোৱা জ্ঞানেই হ'ল অলৌকিক প্ৰত্যক্ষ। ন্যায়মতে এই অলৌকিক প্ৰত্যক্ষ তিনি প্ৰকাৰৰ— সামান্যলক্ষণ প্ৰত্যক্ষ, জ্ঞানলক্ষণ প্ৰত্যক্ষ, যোগজ প্ৰত্যক্ষ।

কোনো এটা শ্ৰেণী বা জাতিৰ সাধাৰণ ধৰ্ম বা লক্ষণক সেই শ্ৰেণী বা জাতিৰ অন্তৰ্গত কোনো বস্তু বা ব্যক্তিৰ ক্ষেত্ৰত কৰা প্ৰত্যক্ষকে সামান্যলক্ষণ প্ৰত্যক্ষ বোলে। উদাহৰণ স্বৰূপে, এজন মানুহক প্ৰত্যক্ষ কৰাৰ লগে লগে অনিবাৰ্যভাৱে প্ৰত্যক্ষ কৰা হয় মানুহজনৰ সাধাৰণ লক্ষণ বা ধৰ্ম 'মনুষ্যত্ব'ক। এই প্ৰত্যক্ষৰ ভিত্তিতেই 'মনুষ্যত্ব' নামৰ এই সাধাৰণ লক্ষণ অন্যান্য সকলো মানুহৰ ক্ষেত্ৰতো প্ৰত্যক্ষ কৰো। কিন্তু এই প্ৰক্ৰিয়াটোত আমি সাক্ষাৎভাৱে প্ৰতিজন মানুহৰ মনুষ্যত্বক প্ৰত্যক্ষ কৰা নাই। ইয়াত বিষয় আৰু ইন্দ্ৰিয়ৰ সম্পৰ্কও নিকটৱৰ্তী নহয় অথবা দুয়োটাৰ মাজত লৌকিক সংস্পৰ্শও ঘটা নাই। এনেবোৰ কাৰণত এই প্ৰত্যক্ষক লৌকিক আখ্যা দিব পৰা নাযায়। কেৱল বিষয়ৰ সামান্য ধৰ্মহে এই প্ৰকাৰ প্ৰত্যক্ষৰ মূল ভিত্তি।

## জ্ঞান লক্ষণ প্ৰত্যক্ষ ঃ

আমাৰ যি পাঁচটা ইন্দ্ৰিয় আছে সেই সকলো ইন্দ্ৰিয়ৰে নিজ নিজ ধৰ্ম বা গুণ আছে। যেনে— চকুৰ-দৃষ্টি, নাকৰ-ঘ্ৰাণ, চালৰ-স্পৰ্শ, জিভাৰ-

সোৱাদ আদি। কিন্তু পূৰ্বজ্ঞান বা পূৰ্বস্মৃতিৰ ওপৰত ভিত্তি কৰি যেতিয়া এটা ইন্দ্ৰিয়ই আন এটা ইন্দ্ৰিয়ৰ কাম কৰে তেতিয়া সেই প্ৰকাৰ প্ৰত্যক্ষক জ্ঞানলক্ষণ প্ৰত্যক্ষ বোলে। উদাহৰণ স্বৰূপে, বৰফ এটুকুৰা চেঁচা। ইয়াক আমি চালৰ দ্বাৰা জানিব পাৰো। কিন্তু পূৰ্বজ্ঞানৰ ওপৰত ভিত্তি কৰি আমি আজি চকুৰ দ্বাৰা চাই বৰফটুকুৰা চেঁচা বুলি প্ৰত্যক্ষ কৰিব পাৰো। ইয়াত চালৰ কাম চকুৰ দ্বাৰাই সম্পন্ন কৰা হৈছে।

ন্যায় দৰ্শনে বিশ্বাস কৰে যে নিয়মিত যোগ অভ্যাসৰ ফলস্বৰূপে যোগীসকলে স্থান আৰু কালৰ সীমা অতিক্ৰম কৰি সকলো বিষয়কে প্ৰত্যক্ষ কৰিব পাৰে। এনে অলৌকিক প্ৰত্যক্ষক যোগজ প্ৰত্যক্ষ আখ্যা দিয়া হৈছে। ভাৰতীয় দৰ্শনৰ প্ৰায়বোৰ সম্প্ৰদায়ে যোগজ প্ৰত্যক্ষৰ যথাৰ্থতা স্বীকাৰ কৰা দেখা যায়। জৈন দৰ্শনে ইয়াক পাৰমাৰ্থিক প্ৰত্যক্ষ বুলিও উচ্চাশিত মন্তব্য কৰিছে। এই প্ৰকাৰ প্ৰত্যক্ষত বিষয় আৰু ইন্দ্ৰিয়ৰ সাধাৰণ সংযোগ নঘটে বাবে সৰ্বসাধাৰণৰ বাবে যোগক প্ৰত্যক্ষৰ পথ সুগম নহয়। ইন্দ্ৰিয় আৰু মনক সঠিকভাৱে নিয়ন্ত্ৰনাধীন কৰিব পৰা যোগীসকলেহে যোগজ প্ৰত্যক্ষ লাভত ফলৱতী হয়।

ন্যায় দৰ্শনে বাখ্যা কৰা প্ৰত্যক্ষৰ আন দুটা উল্লেখযোগ্য ভাগ হ'ল— নিৰ্বিকল্প প্ৰত্যক্ষ আৰু সবিকল্প প্ৰত্যক্ষ। প্ৰত্যক্ষৰ মাধ্যমত সদায় জ্ঞাতা আৰু জ্ঞানৰ মাজত সংযোগ স্থাপন হয়। কিন্তু সকলো প্ৰকাৰ প্ৰত্যক্ষৰ প্ৰকৃতি একে নহয়। যি প্ৰত্যক্ষত বস্তুৰ নাম, গুণ বা প্ৰকাৰ আদিৰ লগত যুক্ত নোহোৱাকৈ কেৱল বস্তুৰ অস্তিত্বহে প্ৰত্যক্ষ কৰা হয় সেয়াই নিৰ্বিকল্প প্ৰত্যক্ষ। এই প্ৰকাৰ প্ৰত্যক্ষত বিকল্প অৰ্থাৎ বিশেষণৰ কোনো স্থান নাই। এই প্ৰত্যক্ষৰ জৰিয়তে বস্তুৰ অস্তিত্বহে মাথোঁ প্ৰকট হয়, তাৰ গুণ বা ধৰ্ম বাখ্যা কৰা নহয়। বৌদ্ধ দৰ্শনে এই প্ৰকাৰ প্ৰত্যক্ষক স্বীকৃতি দিছে। আনহাতে স্বকীয় গুণেৰে সৈতে এটা বস্তুক প্ৰত্যক্ষ কৰাই হ'ল সবিকল্প প্ৰত্যক্ষ। এই প্ৰকাৰ প্ৰত্যক্ষত বস্তুৰ অস্তিত্ব জ্ঞানৰ উপৰিও ইয়াৰ গুণাগুণ সম্পৰ্কেও আমাৰ মনত স্পষ্ট ধাৰণা হয়। গতিকে সেই দিশৰ পৰা চাবলৈ গ'লে সবিকল্প প্ৰত্যক্ষ হ'ল বিষয় সম্বন্ধে বিশিষ্ট জ্ঞান।

## 7.2.3 অনুমান ঃ

ভাৰতীয় জ্ঞান মীমাংসাত সকলোবোৰ প্ৰমাণৰ ভিতৰত অনুমানৰ বিষয়ে সৰ্বাধিক বিস্তাৰিত আলোচনা হোৱা দেখা যায়। অনুমানৰ বিষয়ে আলোচনাৰ ক্ষেত্ৰত ন্যায় দৰ্শন আৰু চাৰ্বাক উভয়ে দুটা বিশেষ ভূমিকা গ্ৰহণ কৰিছে। ন্যায় দৰ্শনে যথাৰ্থ জ্ঞানৰ উৎস হিচাপে অনুমানক সবাতোকৈ গুৰুত্ব প্ৰদান কৰিছে। আনহাতে চাৰ্বাক হ'ল একমাত্ৰ ভাৰতীয় দাৰ্শনিক সম্প্ৰদায় যিয়ে অনুমানক যথাৰ্থ জ্ঞান লাভৰ উপায় বা বৈধ প্ৰমাণ হিচাপে অস্বীকাৰ কৰিছে। চাৰ্বাকৰ বাহিৰে আন সকলোবোৰ দাৰ্শনিক সম্প্ৰদায়ে অনুমানক যথাৰ্থ প্ৰমাণ ৰূপে স্বীকৃতি দিয়ে।

প্ৰমাণ শাস্ত্ৰ অনুসৰি প্ৰত্যক্ষ হ'ল প্ৰথম প্ৰমাণ আৰু দ্বিতীয় হ'ল অনুমান। অনুমান শব্দটো

'অনু' অৰ্থাৎ 'পিছত' আৰু 'মান' অৰ্থাৎ 'জ্ঞান'— এই শব্দ দুটা লগ লাগি গঠিত হৈছে। ইয়াৰ অৰ্থ হ'ল অন্য জ্ঞানৰ পিছত বা অন্য জ্ঞানক ভিত্তি কৰি উদ্ভৱ হোৱা জ্ঞান। গতিকে বুজা যায় যে জ্ঞান অৰ্জনৰ এই প্ৰক্ৰিয়াটো স্বতন্ত্ৰ নহয়। অনুমান প্ৰাথমিকভাৱে প্ৰত্যক্ষ জ্ঞানৰ ওপৰত নিৰ্ভৰশীল, উদাহৰণ স্বৰূপে— ধোঁৱা আৰু জুই একেলগে দেখি আমাৰ জ্ঞান হৈছে যে য'ত ধোঁৱা থাকে তাতেই জুই থাকে। এই জ্ঞানৰ ভিত্তিত দূৰৰ পৰ্বতত ধোঁৱা দেখি আমি সিদ্ধান্ত লওঁ যে পৰ্বতটোত জুই আছে। ইয়াত বিশেষভাৱে মন কৰিবলগীয়া কথা এই যে শেষৰ সিদ্ধান্তটো লওঁতে অৰ্থাৎ 'পৰ্বতত জুই আছে' বুলি স্বীকাৰ কৰোতে আমি কোনো ইন্দ্ৰিয়ৰ সহায় লোৱা নাই। পূৰ্বে লাভ কৰা প্ৰত্যক্ষ জ্ঞানৰ ভিত্তিতহে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়েই অনুমান। ন্যায় দৰ্শন অনুসৰি জ্ঞাত সত্যৰ ওপৰত নিৰ্ভৰ কৰি অজ্ঞাত সত্যক জনাৰ পৰোক্ষ প্ৰক্ৰিয়াই অনুমান। অনুমান বিষয়ৰ পোনপটীয়া জ্ঞান নহয়। ই হ'ল এক প্ৰকাৰ পৰোক্ষ বা ব্যৱহিত জ্ঞান।

ন্যায় দৰ্শনৰ তৰ্কশাস্ত্ৰীয় পদ্ধতি অতি শক্তিশালী আৰু ই অনুমানৰ গঠনৰ লগত বিশেষভাৱে জড়িত। অনুমান এটা সাৰ্থকভাৱে কাৰ্যকৰী হ'বলৈ তিনিটা পদ আৰু অন্তত: তিনিটা বচনৰ প্ৰয়োজন। অনুমানত ব্যৱহৃত পদ তিনিটাক সাধ্যপদ, পক্ষপদ আৰু হেতু পদ নামেৰে জনা যায়। নিম্নোক্ত উদাহৰণটোৰ জৰিয়তে আমি এই পদ তিনিটাৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিম—

পৰ্বতটোত জুই আছে
কাৰণ তাত ধোঁৱা আছে
য'ত ধোঁৱা থাকে তাত জুই থাকে।

এই উদাহৰণটোত আমি তিনিটা পদ আৰু তিনিটা বচন দেখিবলৈ পাওঁ। যিবোৰ বচনৰ দ্বাৰা অনুমান গঠন কৰা হয় সেইবোৰক অবয়ব বা আশ্ৰয় বাক্য বোলা হয়। গতিকে তিনিটা পদ আৰু আশ্ৰয় বাক্য সমূহ অনুমানৰ অপৰিহাৰ্য অংগ। ওপৰোক্ত উদাহৰণটোত আমি পোৱা পদ তিনিটা হ'ল— পৰ্বত, ধোঁৱা আৰু জুই। ন্যায় অনুমানত এই পদ কেইটাক যথাক্ৰমে পক্ষপদ, হেতুপদ বা লিংগ আৰু সাধ্যপদ বুলি অভিহিত কৰা হৈছে। ন্যায় অনুমান প্ৰক্ৰিয়াত ব্যৱহৃত আশ্ৰয় বাক্যত যিটো পদ বচনটোত উদ্দেশ্য ৰূপে ব্যৱহৃত হয় তাকেই পক্ষপদ বোলা হয়। যেনে— পৰ্বতটোত জুই আছে। বচনটোত 'পৰ্বত' শব্দটো পক্ষপদ হিচাপে ব্যৱহৃত হৈছে আৰু ইয়াৰ বিশেষ ধৰ্ম বা গুণৰ অস্তিত্বও প্ৰত্যক্ষ কৰা হৈছে। 'পৰ্বত' শব্দটোৰ বিশেষ ধৰ্ম ৰূপে ইয়াত জুইৰ অস্তিত্বৰ বিষয়ে অনুমান কৰা হৈছে। অনুমান প্ৰক্ৰিয়াত যাৰ অস্তিত্বৰ বিষয়ে অনুমান কৰা হয় তাকেই সাধ্যপদ বোলা হয়। সেয়ে 'পৰ্বতটো জুই আছে' বচনটোত 'জুই' হ'ল সাধ্যপদ। অনুমান প্ৰক্ৰিয়াত যাৰ দ্বাৰা অনুমান কাৰ্য সফলভাৱে সম্পাদিত কৰা হয় তাকে হেতুপদ বা লিংগ বোলা হয়। এই প্ৰক্ৰিয়াত পক্ষপদটো উদ্দেশ্য, সাধ্যপদটো বিধেয়ৰূপে ব্যৱহৃত হয় আৰু হেতুপদৰ জৰিয়তে

পক্ষপদ আৰু সাধ্যপদৰ মাজত সম্পৰ্ক নিৰ্ণয় কৰা হয়। ওপৰোক্ত উদাহৰণটোত 'ধোঁৱা' হ'ল হেতুপদ যাৰ সহায়ত 'পৰ্বত' অৰ্থাৎ পক্ষপদ আৰু 'জুই' অৰ্থাৎ সাধ্যপদৰ মাজত সম্পৰ্ক স্থাপন সম্ভৱ হৈছে। সেয়ে ন্যায় অনুমানত হেতুপদৰ ভূমিকা অপৰিহাৰ্য।

ন্যায় অনুমানত অনুমান প্ৰক্ৰিয়া সম্পন্ন হ'বলৈ অন্ততঃ তিনিটা বচন বা অবয়বৰো প্ৰয়োজন। অনুমানৰ অবয়বক কেন্দ্ৰ কৰি মতভেদ পোৱা যায় যদিও পৰম্পৰাগতভাৱে স্বীকৃত পাঁচটা অবয়বৰ ধাৰণাই বহলভাৱে প্ৰচলিত। পাঁচটা বচনৰ দ্বাৰা গঠিত ন্যায় অনুমানৰ প্ৰণালীক পঞ্চাবয়ব ন্যায় বুলি জনা যায়। ন্যায়ৰ এই পাঁচটা অবয়ব যথাক্ৰমে— প্ৰতিজ্ঞা, হেতু, উদাহৰণ, উপনয় আৰু নিগমন বা সিদ্ধান্ত। এই পঞ্চাবয়ব ন্যায়ৰ বৈশিষ্ট্য এয়ে যে এই অনুমানৰ জৰিয়তে আকাৰগত আৰু বস্তুগত সত্য উভয়কেই লাভ কৰিব পাৰি।

অনুমানৰ গঠনমূলক দিশটোৰ দৰে ইয়াৰ বৈধতাৰ দিশটোও অনুমানৰ অপৰিহাৰ্য বিষয়। অনুমান প্ৰক্ৰিয়াটো বৈধ বুলি গৃহীত হ'বলৈ সাধ্যপদ আৰু হেতুপদৰ মাজৰ সাৰ্বিক সম্বন্ধৰ ওপৰত নিৰ্ভৰ কৰে। সাধ্যপদ আৰু হেতুপদৰ মাজত থকা নিয়ত, অব্যৱহিত সম্বন্ধকেই ব্যাপ্তি বোলা হয়। এই সম্বন্ধৰ কোনো বিকল্প বা ব্যতিক্ৰম নাই। আক্ষৰিক অৰ্থত ব্যাপ্তি মানে হ'ল বিস্তৃত কৰণ বা ব্যাপকতা। অনুমানৰ ক্ষেত্ৰত ব্যাপ্তি হ'ল সাধ্য আৰু হেতুপদৰ মাজৰ অনিবাৰ্য সম্পৰ্ক। উদাহৰণ স্বৰূপে, 'পৰ্বতত জুই আছে' বচনটো অনুমান কৰো। 'পৰ্বতটোত ধোঁৱা আছে' বচনটোৰ সহায়ত। ইয়াত বচনটোৰ সাধ্যপদ 'জুই' আৰু হেতুপদ 'ধোঁৱা'ৰ মাজত অনিবাৰ্য সম্পৰ্ক পৰিলক্ষিত হয়। এই সম্বন্ধকে ব্যাপ্তি বোলা হয় আৰু ব্যাপ্তি জ্ঞান অবিহনে অনুমান প্ৰক্ৰিয়া সম্ভৱ হ'ব নোৱাৰে। সাৰ্থকভাৱে ব্যাপ্তি সম্পৰ্ক প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে ন্যায় দৰ্শনে ছয়টা নিৰ্দিষ্ট স্তৰৰ বিষয়ে উল্লেখ কৰিছে। সেই ছয়টা স্তৰ হ'ল— অন্বয়, ব্যতিৰেক, ব্যভিচাৰাগ্ৰহ, উপাধিনিৰাস, তৰ্ক আৰু সামান্য লক্ষণ।

ন্যায় অনুমানৰ তৰ্কীয় ভিত্তি হিচাপে ব্যাপ্তিক স্বীকৃতি দিয়া হয় যদিও অনুমানৰ নিশ্চিত সিদ্ধান্তত উপনীত হ'বলৈ পক্ষধৰ্মতাৰ গুৰুত্বও উল্লেখযোগ্য। কিয়নো ই ন্যায় অনুমানৰ মনস্তাত্বিক ভিত্তি। অনুমান প্ৰক্ৰিয়া যথাৰ্থৰূপত প্ৰস্তুত কৰিবলৈ হ'লে পক্ষধৰ্মতাৰো প্ৰয়োজন। ব্যাপ্তিত যিদৰে হেতুপদটো সাধ্যপদৰ লগত সম্বন্ধযুক্ত হয় তেনেদৰে পক্ষধৰ্মতাত হেতুপদটো পক্ষপদৰ লগত সম্বন্ধযুক্ত হয়। গতিকে অনুমানত পক্ষধৰ্মতাই পক্ষপদ আৰু হেতুপদৰ মাজত সম্বন্ধ থকা বচনক বুজায়। পক্ষধৰ্মতা অবিহনে কেৱল ব্যাপ্তি জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰি অনুমানত নিশ্চিত সিদ্ধান্তত উপনীত হোৱা কঠিন। যেনে—

যতে ধোঁৱা থাকে তাতেই জুই থাকে
পৰ্বতটোত ধোঁৱা আছে
∴ পৰ্বতটোত জুই আছে।

এই অনুমান প্ৰণালীটোৰ দ্বিতীয় বচনটোত পক্ষপদ 'পৰ্বত'ৰ লগত হেতুপদ 'ধোঁৱা'ৰ সম্পৰ্ক

ঘটিছে। এই সম্পৰ্কই পক্ষধৰ্মতা, যাৰ অবিহনে, অৰ্থাৎ 'পৰ্বতটোত ধোঁৱা আছে' বচনটোৰ অবিহনে আমি পৰ্বতটোত জুই আছে বুলি সিদ্ধান্তত উপনীত হ'ব নোৱাৰে। গতিকে অনুমানৰ সাৰ্থক প্ৰয়োগৰ ক্ষেত্ৰত ব্যাপ্তিৰ লগতে পক্ষধৰ্মতাৰ ভূমিকাও উল্লেখযোগ্য।

## 7.2.4 অনুমানৰ শ্ৰেণীবিভাগ ঃ

অনুমানক প্ৰধানকৈ তিনিটা শ্ৰেণীত বিভক্ত কৰা হয়। প্ৰথমতে উদ্দেশ্য অনুসৰি অনুমানক দুটা ভাগত বিভক্ত কৰা হৈছে, যাক জনা যায় স্বাৰ্থানুমান আৰু পৰাৰ্থানুমান বুলি। ব্যক্তিগত জ্ঞান লাভৰ উদ্দেশ্য যি অনুমান কৰা হয় তাক স্বাৰ্থানুমান বোলে। উদাহৰণ স্বৰূপে, 'পৰ্বতটোত জুই আছে কাৰণ ই ধোঁৱাযুক্ত।' এই স্বাৰ্থানুমানত নিজৰ সংশয় নিবৃত্তিৰহে প্ৰয়োজন থাকে আৰু উদ্দেশ্য থাকে নিজৰ জ্ঞান অৰ্জনৰ। গতিকে তেনে অনুমানত পৰম্পৰাগতভাৱে স্বীকৃত অনুমানৰ আটাইবোৰ অবয়ব প্ৰকাশৰ প্ৰয়োজন নাথাকে। স্বাৰ্থানুমান ব্যক্তিগত প্ৰয়োজনত সাধিত হয় বাবে নিৰ্দিষ্ট নিয়মৰ সহায়ত সিদ্ধান্ত সাব্যস্ত কৰিবলগীয়া নহয়। ইয়াত অনুমানৰ নিয়মাবলীক সাকাৰ ভাৱে পদে পদে অনুসৰণ নকৰাকৈও জ্ঞান অৰ্জন সম্ভৱ হয়।

আনহাতে, অন্যলোকক বুজাবলৈ যি অনুমান কৰা হয় তাক পৰাৰ্থানুমান বোলে। আনক বুজাবলৈ এই অনুমান কৰা হয় বাবে পৰম্পৰাগত পঞ্চৱয়ৱ বা পাচোঁটা বচনৰ প্ৰকাশ ইয়াত জৰুৰী হৈ পৰে। উদাহৰণ স্বৰূপে—

(1) পৰ্বতটোত জুই আছে। (প্ৰতিজ্ঞা)

(2) কাৰণ পৰ্বতত ধোঁৱা আছে। (হেতু)

(3) যতে ধোঁৱা থাকে তাতে জুই থাকে, যেনে— ৰান্ধনিশাল (উদাহৰণ)

(4) পৰ্বতটোত ধোঁৱা আছে। (উপনয়)

(5) এতেকে, পৰ্বতটোত জুই আছে। (নিগমন)

পৰাৰ্থানুমানত প্ৰকাশিত এই পাঁচটা অবয়বৰ মাধ্যমত অন্য ব্যক্তিৰ ওচৰত নিজৰ সিদ্ধান্ত যুক্তিসহ উপস্থাপন কৰা হয়। এয়াই পৰাৰ্থানুমানৰ বৈশিষ্ট্য।

ব্যাপ্তি সম্পৰ্কৰ ওপৰত ভিত্তি কৰি ন্যায় অনুমানৰ দ্বিতীয় প্ৰকাৰ শ্ৰেণী বিভাজন কৰা হৈছে। এই বিভাজন অনুসৰি অনুমান তিনি প্ৰকাৰৰ— পূৰ্ববৎ অনুমান, শেষবৎ অনুমান আৰু সামান্যতোদৃষ্ট অনুমান। এই অনুমান সমূহৰ প্ৰথম দুটা কাৰ্যকাৰণ সম্পৰ্ক আৰু শেষৰটো সহাৱস্থানৰ ওপৰত প্ৰতিষ্ঠিত। জ্ঞাত কাৰণৰ ওপৰত নিৰ্ভৰ কৰি অজ্ঞাত কাৰ্য সম্বন্ধে যি অনুমান কৰা হয়, সেই অনুমানক পূৰ্ববৎ অনুমান বোলে। উদাহৰণ স্বৰূপে, আকাশত ক'লা মেঘ দেখি বৰষুণ আহিব বুলি কৰা অনুমান। আকৌ জ্ঞাত কাৰ্যৰ ওপৰত নিৰ্ভৰ কৰি অজ্ঞাত কাৰণ সম্পৰ্কে যি অনুমান কৰা হয় তাকেই শেষবৎ অনুমান বোলা হয়। উদাহৰণ স্বৰূপে, পুৱা শুই উঠি তিতা চোতালখন দেখি অনুমান কৰা হয় যে আগনিশা বৰষুণ দিছিল। এই দুই প্ৰকাৰ অনুমানেই কাৰ্যকাৰণ সম্পৰ্কৰ ওপৰত নিৰ্ভৰশীল। আনহাতে, যি অনুমানত কাৰ্যকাৰণ

সম্বন্ধৰ ওপৰত নিৰ্ভৰ নকৰাকৈ পূৰ্বৰ অবিৰোধী অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি সামান্য বচন প্ৰতিষ্ঠা কৰা হয় তাক সামান্যতোদৃষ্ট অনুমান বোলা হয়। উদাহৰণ স্বৰূপে, অতীতত সকলো শিং থকা জন্তুৰ ফটা খুৰাৰ অবিৰোধী অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি বৰ্তমান দেখা শিং থকা জন্তুৰ খুৰাও ফটা বুলি অনুমান কৰা হয়।

ব্যাপ্তি সম্বন্ধ স্থাপনৰ ওপৰত ভিত্তি কৰি অনুমানক আৰু তিনিটা ভাগত বিভক্ত কৰা হৈছে। সেইবোৰ হ'ল— কেৱলান্বয়ী অনুমান, কেৱল ব্যতিৰেকী অনুমান আৰু অন্বয়ী ব্যতিৰেকী অনুমান। যি অনুমান কেৱল অন্বয়ী অৰ্থাৎ হেতুপদ আৰু সাধ্যপদৰ মাজত থকা সদৰ্থক সম্বন্ধৰ ভিত্তিত প্ৰতিষ্ঠিত হয় তাক কেৱলান্বয়ী অনুমান বোলা হয়। উদাহৰণ স্বৰূপে—

সকলো উৎপন্ন দ্ৰব্য বিনাশশীল
বস্ত্ৰ হ'ল উৎপন্ন দ্ৰব্য
∴ বস্ত্ৰ হ'ল বিনাশশীল দ্ৰব্য।

আকৌ, যি অনুমান প্ৰক্ৰিয়াত ব্যাপ্তি সম্পৰ্ক কেৱল ব্যতিৰেকী দৃষ্টান্তৰ ওপৰত প্ৰতিষ্ঠিত হয় তাক কেৱল ব্যতিৰেকী অনুমান বোলা হয়। উদাহৰণ স্বৰূপে—

যি অন্য গ্ৰহসমূহৰ পৰা ভিন্ন নহয়, সি স্থিতিশীল নহয়
সূৰ্য স্থিতিশীল
∴ সূৰ্য অন্য গ্ৰহৰ পৰা ভিন্ন।
অথবা,
কোনো জীৱহীন বস্তু জৈৱিক নহয়
সকলো প্ৰাণী জৈৱিক
∴ সকলো প্ৰাণীৰ জীৱ আছে।

কেৱল ব্যতিৰেকী অনুমানৰ বৈশিষ্ট্য এয়ে যে ইয়াত সাধ্য আশ্ৰয় বাক্য নঞৰ্থক বচন আৰু পক্ষ আশ্ৰয় বাক্য সদৰ্থক হোৱা সত্ত্বেও সিদ্ধান্ত সদায় সদৰ্থক স্বভাৱৰ হয়। অনুমানৰ আন এটা প্ৰকাৰ হ'ল অন্বয়ী ব্যতিৰেকী অনুমান।

যি অনুমানত ব্যাপ্তি সম্পৰ্ক অন্বয়ী আৰু ব্যতিৰেকী উভয় প্ৰকাৰ দৃষ্টান্তৰ সহায়ত নিৰ্ধাৰণ কৰা হয় তাক অন্বয়ী ব্যতিৰেকী অনুমান বোলা হয়। যেনে—

সকলো ধোঁৱাযুক্ত বস্তুতে জুই আছে
পৰ্বতখনত ধোঁৱা আছে
∴ পৰ্বতখনত জুই আছে। (অন্বয়ী দৃষ্টান্ত)
য'ত জুই নাই তাত ধোঁৱা নাই
পৰ্বতটোত ধোঁৱা আছে
∴ পৰ্বতটোত জুই আছে। (ব্যতিৰেকী দৃষ্টান্ত)

এই প্ৰকাৰ অনুমানত এবাৰ হেতুপদ আৰু সাধ্যপদৰ মাজত থকা সদৰ্থক আৰু এবাৰ নঞৰ্থক দৃষ্টান্তৰ ওপৰত ভিত্তি কৰা হৈছে। এই দুই প্ৰকাৰ দৃষ্টান্তৰ জৰিয়তে একেটা সিদ্ধান্তই লাভ কৰা হয় যদিও সিদ্ধান্তৰ যথাৰ্থতা নিশ্চিত কৰাৰ উদ্দেশ্যেদুই ধৰণৰ দৃষ্টান্তৰ সহায় লোৱা হয়।

## পাঠৰ মূলকথা ঃ

ভাৰতীয় দৰ্শনৰ সুকীয়া জ্ঞানোৎপত্তি তত্ব আছে। ইয়াত যথাৰ্থ সত্য জ্ঞানক 'প্ৰমা' বোলা হয়। এই প্ৰমা হ'ল সুনিশ্চিত, সংশয়মুক্ত, অভ্ৰান্ত জ্ঞান।

প্ৰমাণ হ'ল যথাৰ্থ জ্ঞান অৰ্থাৎ প্ৰমাৰ উৎস। ভাৰতীয় তৰ্কশাস্ত্ৰ অনুসৰি প্ৰমাণ হ'ল যথাৰ্থ জ্ঞান অৰ্জনৰ সবাতোকৈ সুৰক্ষিত উপায়।

ভাৰতীয় দৰ্শনত মুঠ ছয়বিধ প্ৰমাণক স্বীকৃতি দিয়া হৈছে। সেইবোৰ হ'ল— (1) প্ৰত্যক্ষ, (2) অনুমান, (3) উপমান, (4) শব্দ, (5) অৰ্থাপত্তি আৰু (6) অনুপলব্ধি।

প্ৰমাণসমূহৰ ভিতৰত প্ৰত্যক্ষ প্ৰমাণক আটাইবোৰ দাৰ্শনিক সম্প্ৰদায়ে স্বীকৃতি দিছে। প্ৰত্যক্ষ জ্ঞান স্বতন্ত্ৰ স্বভাৱৰ অৰ্থাৎ ই বৰ্তি থাকিবলৈ আন কোনো জ্ঞানৰ আলম ল'বলগীয়া নহয়।

সকলোবোৰ প্ৰমাণৰ ভিতৰত অনুমানৰ বিষয়ে ভাৰতীয় জ্ঞানমীমাংসাত সৰ্বাধিক বিস্তাৰিত আলোচনা হৈছে। একমাত্ৰ জড়বাদী চাৰ্বাক দৰ্শনৰ বাহিৰে আন সকলোবোৰ সম্প্ৰদায়ে অনুমানক যথাৰ্থ প্ৰমাণৰূপে স্বীকৃতি দিয়ে। অনুমানত জ্ঞাত সত্যৰ ওপৰত নিৰ্ভৰ কৰি অজ্ঞাত সত্যলৈ আগবঢ়া হয়। গতিকে প্ৰকৃতিগত দিশৰ পৰা ই স্বতন্ত্ৰ স্বভাৱৰ নহয়। ই প্ৰাথমিকভাৱে প্ৰত্যক্ষ জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰে বাবে অনুমান হ'ল পৰোক্ষ বা ব্যৱহিত জ্ঞান।

ভাৰতীয় দৰ্শনৰ প্ৰতিটো সম্প্ৰদায়ৰ নিজস্ব জ্ঞানোৎপত্তি তত্ত্ব থকা দেখা যায় যদিও তাৰ ভিতৰত ন্যায় দৰ্শনতেই প্ৰমা আৰু প্ৰমাণ সম্পৰ্কে সৰ্বাধিক বিস্তাৰিত তথা সুক্ষ্মাতিসূক্ষ্ম আলোচনা কৰা দেখা যায়। এনেবোৰ কাৰণতেই ন্যায় দৰ্শন প্ৰমাণ শাস্ত্ৰ নামেৰেও খ্যাত।.

## অনুশীলনী

**1.** খালী ঠাই পূৰণ কৰা ঃ

(a) ভাৰতীয় দৰ্শনত যথাৰ্থ জ্ঞানক —— বোলা হয়।

(b) ভাৰতীয় দৰ্শনত —— বিধ প্ৰমামৰ বিষয়ে উল্লেখ আছে।

(c) চাৰ্বাক দৰ্শনে ——কহে যথাৰ্থ জ্ঞানৰ একমাত্ৰ উৎস ৰূপে স্বীকাৰ কৰে।

(d) ন্যায় দৰ্শনে —— বিধ প্ৰমাণত বিশ্বাস কৰে।

(e) —— হ'ল অনুমানৰ তৰ্কীয় ভিত্তি।

**2.** চমু উত্তৰ দিয়া ঃ

(a) প্ৰমা মানে কি?

(b) প্ৰমাণ কাক বোলে?

(c) ভাৰতীয় দৰ্শনে স্বীকৃতি দিয়া প্ৰমাণসমূহ কি কি?

(d) অলৌকিক প্ৰত্যক্ষৰ প্ৰকাৰসমূহ উল্লেখ কৰা।

(e) পৰাৰ্থানুমানৰ কেইটা অৱয়ব থাকে আৰু সেইকেইটা কি?

**3.** সংজ্ঞা দিয়া ঃ

(a) প্ৰমা

(b) প্ৰমাণ

(c) লৌকিক প্ৰত্যক্ষ

(d) শেষবৎ অনুমান

(e) পূৰ্ববৎ অনুমান

(f)ব্যাপ্তি

**4.** পাৰ্থক্য নিৰ্ণয় কৰা ঃ

(a) লৌকিক আৰু অলৌকিক প্ৰত্যক্ষ

(b) স্বাৰ্থানুমান আৰু পৰাৰ্থানুমান

**5.** শুদ্ধাশুদ্ধ নিৰ্ণয় কৰা ঃ

(a) চাৰ্বাক দৰ্শনে বৈধ প্ৰমাণ হিচাপে প্ৰত্যক্ষ আৰু অনুমান উভয়কে স্বীকাৰ কৰে।

(b) প্ৰত্যক্ষ স্বতন্ত্ৰ স্বভাৱৰ জ্ঞান।

(c) যোগজ প্ৰত্যক্ষ যিকোনো ব্যক্তিয়েই লাভ কৰা সম্ভৱ।

(d) নিৰ্বিকল্প প্ৰত্যক্ষত বস্তুৰ নাম, গুণ আদিৰ লগত যুক্ত নোহোৱাকৈ কেৱল বস্তুৰ অস্তিত্বহে প্ৰত্যক্ষ কৰা হয়।

(e) সকলোবোৰ ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়ে বৈধ প্ৰমাণৰূপে অনুমানক স্বীকাৰ কৰিছে।

(f) অনুমান পৰোক্ষ বা ব্যৱহিত জ্ঞান।

(g) ন্যায় অনুমানত চাৰিটা পদ থাকে।

(h) পৰাৰ্থানুমানত পাঁচটা অৱয়ব প্ৰকাশ কৰা হয়।

(i) হেতুপদৰ জৰিয়তে পক্ষপদ আৰু সাধ্যপদৰ সম্পৰ্ক নিৰ্ণয় কৰা হয়।

(j) স্বাৰ্থানুমান আনক প্ৰত্যয় নিয়াবলৈ কৰা অনুমান।

* * *